# আমাৰ এন আৰ চি
# ন্যায়সংগত এন আৰ চি

# দাবী আৰু আপত্তি বিষয়ক গুৰুত্বপূৰ্ণ ঘোষণা



**দাবী আৰু আপত্তি গ্ৰহণ কৰাৰ অন্তিম তাৰিখ ৩১ ডিচেম্বৰ, ২০১৮**

১. যোগ্যতা পুনৰ বিবেচনাৰ বাবে ইতিমধ্যে দাখিল কৰা নথিৰ ভিত্তিতনাইবা **তালিকা A** বা **তালিকা B** ভূক্ত অতিৰিক্ত নথিৰ ভিত্তিত দাবী দাখিল কৰিব পাৰিব। আগেয়ে দাখিল কৰা নথিসমূহ দাখিল কৰাৰ প্ৰয়োজন নাই।

২. **উল্লেখযোগ্য যে দাবী দাখিলৰ কাৰণে কোনো নতুন নথি-পত্ৰ দাখিল কৰাতো অপৰিহাৰ্য্য নহয়। প্ৰকৃত ভাৰতীয় নাগৰিকসকলে সেই মৰ্মে নিৰ্দ্ধাৰিত প্ৰ-প্ৰত্ৰত দাবী দাখিল কৰিব পাৰে।**

৩. লিগেচি নথিৰ তালিকা (**তালিকা A**) পূৰ্বৰ মূল আৱেদন দাখিল কৰাৰ সময়ত থকাৰ দৰে একেই থাকিব। তালিকাখন তলত দিয়া হ'লঃ

I. এন আৰ চি, ১৯৫১
II. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰকাশিত ভোটাৰ তালিকা
III. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা মাটিৰ নথি-পত্ৰ যেনে মাটি কিনা-বেচাৰ পঞ্জীয়নভূক্ত দলিল, ভূমিস্বত্বৰ নথি
IV. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা নাগৰিকত্ব প্ৰমাণপত্ৰ
V. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত অসমৰ বাহিৰৰ ৰাজ্যই প্ৰদান কৰা স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ
VI. ***২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা শৰণাৰ্থী পঞ্জীয়ন প্ৰমাণপত্ৰ
VII. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত ভাৰত চৰকাৰৰ দ্বাৰা প্ৰদান কৰা পাছপোৰ্ট
VIII. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা ভাৰতীয় জীৱন বীমা নিগম (এল আই চি আই)ৰ বীমা পলিচি
IX. ****২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত যিকোনো চৰকাৰী কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা কোনো অনুজ্ঞা পত্ৰ / প্ৰমাণপত্ৰ
X. *****২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা চৰকাৰী / ৰাজহুৱা খণ্ডৰ চাকৰি / নিয়োগৰ প্ৰমাণপত্ৰ
XI. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা বেঙ্ক / ডাকঘৰৰ একাউন্টচৰ নথি
XII. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত কৰ্তৃত্বপ্ৰাপ্ত কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা জন্মৰ প্ৰমাণপত্ৰ
XIII. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত বোৰ্ড / বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰদান কৰা শৈক্ষিক প্ৰমাণপত্ৰ
XIV. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা ন্যায়িক বা ৰাজহ আদালতৰ নথি / আদালতৰ প্ৰচিডিংজনিত নথি
XV. ******২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্তপ্ৰদান কৰা ৰেছন কাৰ্ড

* *শৰণাৰ্থী পঞ্জীয়ন প্ৰমাণপত্ৰই নিম্নলিখিত নথি কেইবিধ সামৰি ল'ব ঃ*

(i) ***২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা সাহায্যপ্ৰাপ্তিৰ যোগ্যতাসূচক প্ৰমাণপত্ৰ*
(ii) ***২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা শৰণাৰ্থী শিবিৰ আৱাসীৰ প্ৰমাণপত্ৰ*

** ***২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা চৰকাৰী ৰচিদ, জাননী, হুকুম বা ৰেকৰ্ড সামৰি ল'ব*

*** ***২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত চৰকাৰী চাকৰিত / ৰাজহুৱা খণ্ডত নিয়োগৰ তথ্য উল্লেখ থকা পেন্সন পৰিশোধ কৰাৰ হুকুম (PPO)ৰ নথি অন্তৰ্ভুক্ত*

**** *এইখন সহযোগী নথিহে আৰু কেৱলমাত্ৰ **তালিকা A** ভূক্ত ১৪ বিধ নথিৰ যিকোনো এবিধৰ লগত সংলগ্ন হ'লেহে গ্ৰহণযোগ্য হ'ব*

৪. **সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণৰ বাবে নথি-পত্ৰ জাৰি কৰাৰ তাৰিখ নিৰ্বিশেষে আইনমতে গ্ৰহণযোগ্য তালিকা B ভূক্ত নথি-পত্ৰ দাখিল কৰিব পাৰিব**

৫. দাবী দাখিলৰ পৰ্য্যায়ত লিগেচি ব্যক্তি সলনি কৰিব নোৱাৰিব

৬. আৱেদনকাৰীয়ে পূৰ্বতে ঘোষণা কৰা হাতে লিখা বংশবৃক্ষৰ বিৱৰণীৰ কোনোধৰণৰ সালসলনি কৰিব নোৱাৰিব

৭. **খচৰা এন আৰ চিত** কোনো নাম অন্তৰ্ভুক্তিৰ বিৰুদ্ধে যিকোনো ব্যক্তিয়ে আপত্তি দাখিল কৰিব পাৰিব। আপত্তি অগ্ৰাহ্য হ'লে কোনো ধৰণৰ শাস্তিৰ সন্মুখীন হ'ব নালাগে

৮. **যাৰ বিৰুদ্ধে আপত্তি দাখিল কৰা হ'ব তেওঁৰ নিৰ্দ্ধাৰিত এন আৰ চি সেৱাকেন্দ্ৰত বা সেই নিৰ্দ্ধাৰিত সেৱাকেন্দ্ৰ যি জিলাত অন্তৰ্ভুক্ত সেই জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত আপত্তি দাখিল কৰিব পাৰিব**

৯. দাবী তলত উল্লেখিত ব্যক্তিয়েও দাখিল কৰিব পাৰিব ঃ

ক) ভুলবশতঃ 'ডি' ভোটাৰ (DV) বা ঘোষিত বিদেশী (DF) বা বিদেশী ন্যায়াধিকৰণত গোচৰ বিচাৰাধীন (PFT) হিচাবে দাবী কৰা ব্যক্তি আৰু তেনে ব্যক্তিৰ বংশধৰসকল

খ) ন্যায়িক কৰ্তৃপক্ষ / বিদেশী ন্যায়াধিকৰণে ভাৰতীয় হিচাবে ঘোষণা কৰাৰ হুকুম থকা কিন্তু খচৰা এন আৰ চিত নাম অন্তৰ্ভুক্ত নোহোৱা ব্যক্তি

১০. **মহামান্য উচ্চতম ন্যায়ালয়ৰ ১ নবেম্বৰ ২০১৮ তাৰিখৰ আদেশ অনুসৰি ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰচেডিউৰ (এচঅ'পি) জাৰী হোৱাৰ আগতে যিসকল ব্যক্তিয়ে দাবী বা আপত্তি দাখিল কৰিছে আৰু এতিয়া সেই দাবী বা আপত্তিৰ সমৰ্থনত অতিৰিক্ত নথি-পত্ৰ দাখিল কৰিব বিচাৰিছে, তেওঁলোকে সেই অতিৰিক্ত নথি-পত্ৰসমূহ সংশ্লিষ্ট এন আৰ চি সেৱা কেন্দ্ৰ (এনএছকে)ত দাখিল কৰিব পাৰিব।**

জনহিতাৰ্থে প্ৰচাৰিত

ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসম চৰকাৰ

নাগৰিক পঞ্জীয়নৰ মহাপঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ

বিশদভাবে জানিবলৈ আৰু সহায়ৰ বাবে

আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক | ১৫১০৭ (অসমৰ বাবে) ১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা)

আমাৰ ৱেবচাইট www.nrcassam.nic.in

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক

Exclusive/NRC/12-18